**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশৰ ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সংসদীয় সমষ্টিত কাইলৈ হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত কাইলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে। এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৫ সংখ্যক আবিৰ্ভাৱ তিথি উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। মাধৱদেৱৰ আবিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি অসম একশৰণ ভাগৱতী সমাজে আজিৰেপৰা মৰিগাঁৱৰ বৰদল পালনাম থানত বিভিন্ন কাৰ্যসূচী আয়োজিত কৰিছে। ঐতিহ্যমণ্ডিত থানখনত আজি পুৱা মাংগলিক পৰম্পৰাৰে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেহেশ্বৰ বৰাই নৱনিৰ্মিত মণিকূটত আনুষ্ঠানিকভাৱে সিংহাসন প্ৰতিষ্ঠা কৰাৰ পাছত বৰদল গাঁৱৰ গায়ন-বায়নৰ খোল প্ৰসংগ অনুষ্ঠিত হয়। কাইলৈ গুণমালা, ধৰ্মালোচনী সভাৰ লগতে ২০০ গৰাকী যুৱক-যুৱতীক শৰণ-ভজনৰ দিহা কৰা হৈছে।

ইফালে, মহাপুৰুষ মাধৱদেৱ স্থাপিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। এই উপলক্ষে কালি ধৰ্মধ্বজা উত্তোলন, গছপুলি ৰোপণ, ভাগৱত পাঠ, কীৰ্তন ঘোষা পাঠ কৰাৰ লগতে খোল বাদন লোকগীত আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি অনুষ্ঠিত ধৰ্মালোচনা সভাত সুন্দৰীদিয়া সত্ৰই প্ৰতিবছৰে প্ৰদান কৰা মাধৱদেৱ বঁটা ৰামৰায়কুঠি সত্ৰৰ সত্ৰাধিকাৰ জীতেন্দ্ৰ নাথ প্ৰধানীক প্ৰদান কৰা হয়। মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰতো আজি মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰনামঘৰত দিনজোৰা কাৰ্যসূচীৰে মাধৱদেৱৰ আবিৰ্ভাৱ তিথি পালন কৰা হয়। নগাঁৱৰ বটদ্ৰৱা থানৰ লগতে গোলাঘাট জিলাৰ আঠখেলীয়া নামঘৰতো মাধৱদেৱৰ আবিৰ্ভাৱ তিথি উপলক্ষে বৈষ্ণৱ ভকতে নাম-কীৰ্ত্তনেৰে গুৰুবন্দনা কৰে।

০০০০০০০

অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, ক্লাছ ৮৮ ফাউণ্ডেছনে ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ সহায়ত গোৱালপাৰা জিলাৰ বাদুংদুপ্পা কলা কেন্দ্ৰত নিৰ্মাণ কৰা চাৰিসীমাৰ বেৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পুনৰ্নিৰ্মাণ কৰা আৱাস গৃহও মুকলি কৰা হয়। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত গোৱালপাৰা জিলাৰ সহ আয়ুক্তৰ লগতে অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, ক্লাছ ৮৮ৰ কেইবাগৰাকীও সদস্য উপস্থিত থাকে।

০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ভাৰতৰ বেডমিণ্টন তাৰকা পি ভি সিন্ধুৱে মালয়েছিয়াৰ কুৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। দুবাৰকৈ অলিম্পিকৰ পদক জয়ী সিন্ধুৱে আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত চীনৰ হান য়ুইক ২১-১৩, ১৪-২১, ২১-১২ গেমত পৰাস্ত কৰে। অৱশ্যে, মহিলাৰ ছিংগলছৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ অস্মিতা চলিহা চীনৰ ঝেং য়ি মেনৰ হাতত ১০-২১, ১৫-২১ গেমত পৰাজিত হয়।

আনহাতে, ভাৰতৰ কিৰণ জৰ্জ মালয়েছিয়াৰ জি জিয়ালিৰ হাতত ১৩-২১, ১৮-২১ গেমত পৰাজিত হৈ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হোৱাৰ লগতে ছাই প্ৰতীক আৰু কৃষ্ণ প্ৰসাদ গৰ্গৰ যুটীটো পুৰুষৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হয়। তৃষা জলী আৰু গায়ত্ৰী গোপাচাণ্ডৰ ভাৰতীয় যুটীটোও মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ প্ৰতিদ্বন্দ্বিৰ হাতত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০

ৰাজস্থান ৰয়েলছ আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

উল্লেখযোগ্য যে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাস্ত কৰি ইতিমধ্যে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০০

**সমাপ্ত**